অধ্যায় ২ : গদ্যকাৰ বৈকুণ্ঠনাথ ভট্টাচার্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ভট্টদেৱৰ জীৱন আৰু কৃতি
২.৩.১ ভট্টদেৱৰ গদ্যৰীতি
২.৪ অসমীয়া গদ্য সাহিত্যত ভট্টদেৱৰ স্থান
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভট্টদেৱৰ জীৱন, সাহিত্যসাধনা আৰু অৱদানৰ বিষয়ে জানিব পাৰিব।
- অসমীয়া গদ্য সাহিত্যত ভট্টদেৱৰ স্থান আৰু গুৰুত্ব বুজিব পাৰিব।
- ভট্টদেৱৰ প্রধান সাহিত্যকৃতি আৰু সৃষ্টিশীলতাৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।
- ভট্টদেৱৰ গদ্যৰীতি আৰু গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ উপলব্ধি কৰিব পাৰিব।
- অসমীয়া গদ্য সাহিত্যৰ বিকাশত ভট্টদেৱৰ অৱদান মূল্যায়ন কৰিব পাৰিব।
- চৰিতপুথি, বুৰঞ্জী আৰু ভট্টদেৱৰ গদ্যৰ মাজৰ পার্থক্য সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব।

২.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি অসমীয়া গদ্যৰ উৎপত্তি, বিকাশ আৰু বিভিন্ন স্তৰৰ বিষয়ে এক সামগ্রিক ধাৰণা লাভ কৰিছিলোঁ। সেই অধ্যায়ত গদ্যৰ ব্যুৎপত্তিগত অর্থ, সংজ্ঞা, স্বৰূপ আৰু প্রকাৰভেদৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে মন্ত্র-সাহিত্য আৰু অঙ্কীয়া নাটৰ গদ্যৰীতিৰ আলোচনা কৰি অসমীয়া গদ্যৰ প্রাৰম্ভিক স্বৰূপ, ইয়াৰ বৈশিষ্ট্য আৰু বিকাশৰ ধাৰাৰ বিষয়েও সম্যক জ্ঞান লাভ কৰিছিলোঁ। ব্রজাৱলী ভাষাৰ স্বকীয়তা, মন্ত্রপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ মাজৰ পার্থক্য, লগতে পৰৱর্তী কালৰ অসমীয়া গদ্য সাহিত্যৰ বিকাশত এই গদ্যধাৰাসমূহৰ প্রভাৱৰ বিষয়েও ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত এক অগ্রগণ্য ব্যক্তিত্ব ভট্টদেৱৰ জীৱন, সাহিত্যসাধনা আৰু অৱদানৰ বিষয়ে অধ্যয়ন কৰিম। ইয়াৰ জৰিয়তে ভট্টদেৱৰ সাহিত্যিক কৃতিত্ব, তেওঁৰ প্রধান গ্রন্থসমূহ আৰু অসমীয়া গদ্য সাহিত্যত তেওঁৰ বিশেষ স্থানৰ বিষয়ে জানিব পাৰিম। লগতে ভট্টদেৱৰ গদ্যৰীতি আৰু গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ উপলব্ধি কৰাৰ লগতে অসমীয়া গদ্য সাহিত্যৰ

বিকাশত তেওঁৰ অৱদান মূল্যায়ন কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে চৰিতপুথি, বুৰঞ্জী আৰু ভট্টদেৱৰ গদ্যৰ মাজৰ পার্থক্য সম্পর্কেও এক স্পষ্ট ধাৰণা লাভ কৰিব পাৰিম।

১.৩ ভট্টদেৱৰ জীৱন আৰু কৃতি

সাহিত্যৰ দুই প্রধান ধাৰা— পদ্য সাহিত্য আৰু গদ্য সাহিত্যৰ ভিতৰত গদ্য সাহিত্যৰ এখন সুকীয়া আসন সদায়ে বর্তমান। পদ্য সাহিত্যতকৈ গদ্য সাহিত্যৰ জন্ম বহু পিছত যদিও পদ্য সাহিত্যতকৈ গদ্য সাহিত্যৰ পাঠকক প্রভাৱিত কৰিব পৰা গুণ বেছি বুলি ক'লেও চাগৈ বঢ়াই কোৱা নহয়। কিয়নো সর্বসাধাৰণৰ কথ্য ৰূপটোৰ মাধ্যমত মানুহে সদায়ে যিকোনো কঠিন বিষয়বস্তুকো হৃদয়ঙ্গম কৰিবলৈ সহজ অনুভৱ কৰে। এনে এক উদ্দেশ্য আগত ৰাখিয়ে হয়তু কথাশিল্পী ভট্টদেৱেও পূর্ব প্রচলিত তথা পৰম্পৰাগত পদ্য-ৰীতিক পৰিহাৰ কৰি অত্যন্ত সাহসিকতাৰে গদ্য সাহিত্যৰ সৃষ্টিত হাত দিছিল। অৱশ্যে এই ক্ষেত্রত তেওঁৰ গুৰু দামোদৰদেৱৰ আজ্ঞাক স্বীকাৰ কৰিবই লাগিব; গুৰুৰ আজ্ঞাকে সৰোগত কৰি ভট্টদেৱে গদ্য সৃষ্টিৰ বাবে কাপ-মৈলাম হাতত লৈছিল।

ভট্টদেৱৰ গদ্যধর্মী সাহিত্যৰাজি— কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলীৰ ভিতৰত কথা-ভাগৱত প্রাৰম্ভিক ৰচনা। অৱশ্যে কথা-গীতাৰহে কথ্য ৰীতি অতি সৰল আৰু ঘৰুৱা কথাৰ বেছি ওচৰ চপা। তেওঁ কথা-গীতাৰ দৰে এখন তত্ত্ব গধুৰ পদ্য-শাস্ত্রক গদ্যৰ মাধ্যমত পোনপ্রথমবাৰৰ বাবে ৰচনা কৰি অসমীয়া গদ্য সাহিত্য সৃষ্টিৰ সোপান ৰচনাত যি অৰিহণা দি গ'ল সি সদায়ে স্মৰণযোগ্য।
ভট্টদেৱে গদ্য-ৰচনাত হাত দিয়াৰ পূর্বৱর্তী সময়ছোৱাত শংকৰদেৱে অংকীয়া নাটৰ সূত্রধাৰৰ বচনৰ মাজেদি সাহিত্যিক গদ্যৰ শুভাৰম্ভণি কৰাৰ এটা প্রচেষ্টা চলাইছিল। অৱশ্যে সেই গদ্যই লয়ৰ সমাৱেশৰ বাবে প্রকৃত তথা বিশুদ্ধ গদ্যৰ মর্যাদা লাভ কৰিব নোৱাৰিলে। এওঁৰ হাততেই অসমীয়া গদ্য সাহিত্যই প্রতিষ্ঠা লাভ কৰে, সেয়ে ক'ব পাৰি ভট্টদেৱ অসমীয়া গদ্য-সাহিত্যৰ জনক।

মহাপুৰুষৰ অব্যৱহিত কালৰ প্রভাৱশালী কবিসকলৰ ভিতৰত ভট্টদেৱ অন্যতম। এওঁৰ পিতৃৰ নাম কবি সৰস্বতী। ভট্টদেৱৰ পিতৃ প্রদত্ত নাম বৈকুণ্ঠনাথ। 'ভট্টদেৱ'কে প্রমুখ্য কবি 'কবিৰত্ন' তথা 'ভাগৱত ভট্টাচার্য' তেওঁৰ উপাধি মাত্র। ঘৰ বৰপেটাৰ বৰনগৰ অঞ্চলৰ ভেৰা গাঁৱত। পিতৃ কবি সৰস্বতী আৰু মাতৃ তাৰা দেৱীৰ দুই পুত্র ক্রমে – জয় সৰস্বতী আৰু বৈকুণ্ঠনাথ। বৈকুণ্ঠনাথৰ জন্মৰ চন-তাৰিখ বিস্মৃতিৰ গর্ভত যদিও কথা-গীতাৰ পাতনিত হেমচন্দ্র গোস্বামীয়ে উল্লেখ কৰা মতে ভট্টদেৱৰ জন্ম ১৫৫৮ খ্রীষ্টাব্দত। আনহাতে ১৬৩৮ খ্রীষ্টাব্দত ভট্টদেৱে নিজ হাতে গঢ়া ব্যাসকুছি সত্রতে শেষ নিশ্বাস ত্যাগ কৰে বুলি গোস্বামীদেৱে উল্লেখ কৰিছে। বর্তমানে গোস্বামীদেৱে উল্লেখ কৰা উক্ত চন দুটাকে ভট্টদেৱৰ জন্ম-মৃত্যুৰ চন হিচাপে মানি অহা হৈছে।

বৈকুণ্ঠনাথ সৰু কালৰে পৰা বিদ্যা-বুদ্ধিত প্রতিভাধৰ আছিল। ৰীতিসিদ্ধ শিক্ষা গ্রহণৰ অন্তত পণ্ডিত প্রৱৰ ব্যক্তিজনে প্রথমে গোপালদেৱৰ ওচৰত শৰণ লয়। তাতেই তেওঁ ব্যাকৰণ, কাব্য, স্মৃতি, ভাগৱতকে আদি কৰি দর্শন শাস্ত্রৰ জ্ঞান অর্জন কৰে। তেওঁ এফালে যেনেকৈ এজন শাস্ত্রজ্ঞ পণ্ডিত আছিল তেনেকৈ শাস্ত্রবাখ্যাকাৰীও [বিশেষকৈ ভাগৱতৰ সুবাখ্যাকাৰী] আছিল। যি ভাগৱতৰ সুবাখ্যাৰ বাবে শ্রোতামণ্ডলীৰ পৰা লাভ কৰিছিল 'ভাগৱত ভট্টাচার্য'ৰ দৰে উপাধি। কেৱল সেয়ে নহয় ৰামৰায়ৰ সন্তযশামৃত মতে বৰনগৰীয়া মোড়লসকলক ভাগৱতৰ বাখ্যাৰে মোহিত কৰাৰ বাবে তেওঁলোকে

ভট্টদেৱক 'কবিৰত্ন' উপাধিও প্রদান কৰিছিল। পৰৱর্তী সময়ত পোৱাভিটী বৰপেটা সত্রৰ মথুৰাদাস বুঢ়া আতাৰ আহ্বান মর্মে ভাগৱত বাখ্যাৰ বাবে তাতে কিছুদিন থকাৰ পিছত পিতৃৰ আজ্ঞা পালন কৰি তাৰ পৰাই পাটবাউসীলৈ গৈ দামোদৰদেৱৰ ওচৰত দ্বিতীয়বাৰৰ বাবে শৰণ লয়।

সেই সময়তে কামৰূপাধিপতি পৰীক্ষিত নাৰায়ণৰ ৰোষত পৰে দামোদৰদেৱ। দামোদৰদেৱৰ দোষ— ভাগৱত বাখ্যাৰে প্রজাসকলক দেৱী পূজাৰ পৰা আঁতৰাই হৰিৰ চৰণ সেৱাত ব্রতী কৰোৱাতো। ৰজা পৰীক্ষিতৰ ভাষ্য—

তেহোঁ এক শৰণ লগাইলা লোকক।
শৰত কালত পূজা লোকে এৰিলেক।।
আন দেৱতাৰ নাম নুশুনয় কাণে।

ৰজাৰ আজ্ঞা— "যদি দেৱী পূজে থাকোক সেহি থান"; আৰু যদি নুপূজে সেই ঠাই তেওঁ ত্যাগ কৰক। ৰজাৰ এনে তীক্ষ্ণ সিদ্ধান্ত কটকীৰ মুখে শুনি দামোদৰদেৱে হৰি বিনে দশভূজাৰ অস্তিত্বহীনতাৰ কথা কৈ ৰাজ আজ্ঞাক প্রত্যাখ্যান কৰি কামৰূপ ত্যাগ কৰিবলৈ থিৰ কৰিলে। যোৱাৰ সময়ত দামোদৰদেৱে শিষ্য ভট্টদেৱক বিভিন্ন দিহা পৰামর্শৰ লগতে ভাগৱতখনো কথাবন্ধে ৰচিবলৈ নির্দেশ দিয়ে— "আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা। কথাবন্ধে একখণ্ডে ভাগৱত কৰা।" সেই সময়তে পূর্বতে হাত দিয়া কথাবন্ধত ৰচনা কৰা ভাগৱতৰ প্রথমটি স্কন্ধ দামোদৰদেৱৰ হাতত ভট্টদেৱে অর্পণ কৰে। কিন্তু তাৰ আকাৰ বৃহৎ হোৱাত চমুৱাই ৰচনা কৰিবলৈ নির্দেশ দি দামোদৰদেৱে কোচবিহাৰলৈ গমন কৰিলে।

নীলকণ্ঠ দাসৰ চৰিত মতে এইদৰে কিছুদিন থকাৰ পিছত পাটবাউসী সত্রৰ অধিকাৰ পদৰ বাবে ভট্টদেৱৰ সৈতে ভতিজা শ্রীকৃষ্ণৰ মতান্তৰ হোৱাত দামোদৰদেৱে দুয়োজনকে 'সন্দেশ' খুজি বার্তা প্রেৰণ কৰে। শ্রীকৃষ্ণই 'চিৰালাড়ু' আৰু ভট্টদেৱে ভাগৱতৰ সাতস্কন্ধ গদ্যত ভাঙনি কৰি দামোদৰদেৱত অর্পণ কৰে। দামোদৰদেৱে শ্রীকৃষ্ণৰ 'চিৰালাড়ু'ক প্রত্যাখান কৰি 'সন্দেশ'স্বৰূপ ভট্টদেৱৰ ভাগৱতখন সাদৰে গ্রহণ কৰি ভট্টদেৱক পাটবাউসীৰ অধিকাৰ পাতি ভকতৰ হাতত তুলসীৰ মালা দি পঠিয়ালে। লগতে কৈ পঠিয়ালে যাতে ভাগৱতৰ বাকী থকা পাঁচ স্কন্ধও যেন অনুবাদ কৰে। আৰু এদিন বাকী থকা অংশ পূৰ কৰি লগত চাৰিজন ভকতৰ সহিতে দামোদৰদেৱৰ সমুখত উপস্থিত হয়। দামোদৰদেৱ সমন্বিতে সকলো ভকতে ভাগৱতৰ এই পাঁচ স্কন্ধ শুনি প্রশংসা কৰিলে।

কেৱল ভাগৱতেই নহয়, কবিৰত্নই পাটবাউসীত ধর্ম প্রৱর্তাই থকা কালত শ্রীভগৱদ-গীতাখনো কথাত লিখি ভকতৰ হাতে দামোদৰদেৱলৈ পঠিয়াই দিলে। দামোদৰদেৱে হৰি মিশ্র নামে এজনক পঠাই সোণ-ৰূপৰ অলংকাৰ, সোণৰ নৱগুণ, হাৰমালা, কুণ্ডল, বাজু, আঙুঠি, মুকুট আদি পঠিয়াই দি কবিৰত্নক ভট্টাচার্য নাম দিলে। তেতিয়াৰ পৰাই কবিৰত্ন ভট্টাচার্যদেৱ বা ভট্টদেৱ নামেৰে আখ্যায়িত হ'ল।

এইদৰে পাটবাউসী সত্রতে জীৱনৰ অধিক কাল ধর্ম প্রৱর্তাই থকাৰ পাছত দামোদৰদেৱৰে শিষ্য পাটোৱাৰী নামৰ এজন ভকতৰ উপদ্রৱ সহ্য কৰিব নোৱাৰি সেই ঠাই ত্যাগ কৰি ব্যাসকুছিত সত্র পাতি তাতে ৰয়গৈ; আৰু তাতেই তেওঁ বৈকুণ্ঠী হয়।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : ভট্টদেৱক অসমীয়া গদ্য-সাহিত্যৰ জনক বুলি কিয় কোৱা হয়?

.....

প্রশ্ন নং ২ : ভট্টদেৱৰ প্রধান সাহিত্যকৃতিসমূহ কি কি?

.....

প্রশ্ন নং ৩: ভট্টদেৱে 'ভাগৱত ভট্টাচার্য' আৰু 'কবিৰত্ন' উপাধি কেনেকৈ লাভ কৰিছিল?

.....

প্রশ্ন নং ৪: দামোদৰদেৱে ভট্টদেৱক কি নির্দেশ দিছিল?

.....

সম্পূর্ণ বৈষ্ণৱ ভাবাদর্শেৰে উদ্বুদ্ধ কথাশিল্পী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ সাহিত্যিক কর্মৰাজিৰ এক দীঘলীয়া পৰিসংখ্যা আছে। তেওঁৰ সাহিত্যিক জীৱন পৰিক্রমাত ভাগৱত-কথা, গীতা-কথা আৰু ৰত্নাৱলী-কথা শ্রেষ্ঠ যদিও এইজনা সাহিত্যিক আন কেইবাখনো গ্রন্থৰ ৰচক। ভক্তিসাৰ আৰু নন্দোৎসৱৰ দৰে দুই-এখন গ্রন্থ তেওঁৰ হয় নে নহয় কিছু পৰিমাণে বিচার্যৰ বিষয় যদিও শ্রীমদ্ভাক্তিবিবেক, বিষ্ণু-সহস্র নাম, প্রসঙ্গ-মালা বা প্রসঙ্গ-প্রণালী, গুৰু-বংশাৱলী, শৰণ-মালিকা এই কেইখন তেওঁৰ ৰচনা বুলি ভবাৰ সামান্য হ'লেও থল আছে। একেদৰে ভাগৱতাধিকৰণখনো তেওঁৰ হয় নে নহয় সন্দেহৰ আৱর্তত। উল্লেখযোগ্য যে তেওঁৰ ৰচনাৰ স্পষ্ট নিদর্শন তথা প্রমাণিক গ্রন্থ তিনিখনৰ [ভাগৱত-কথা, গীতা-কথা আৰু ৰত্নাৱলী-কথা] ৰচনা শৈলীতকৈ কিন্তু পিছৰ কেইখনৰ ৰচনা শৈলী যথেষ্ট দুর্বল। ইয়াৰ বাহিৰেও নীলকণ্ঠ দাসৰ চৰিতৰ আউনীআটি সত্রৰ পুথিৰ অন্তত 'দ্বিজ-ভট্টদেৱ'ৰ ভনিতাৰে এটি গুৰু-ভটিমা পোৱা গৈছে। এই ভটিমাটি মাধৱদেৱৰ গুৰু ভটিমাৰ সমপর্যায়ৰ।

ভট্টদেৱে সাহিত্যিক জীৱনৰ পাতনি মেলে ভাগৱত-কথাৰ জৰিয়তে। দামোদৰদেৱৰ আজ্ঞা শিৰত লৈ ৰচনা কৰা গ্রন্থখনিত সততে 'কবিৰত্ন' নামটিকে ব্যৱহাৰ কৰা দেখা যায়। ৰচনাৰ সময় আনুমানিক ১৫৯৪-৯৬ খ্রীষ্টাব্দ। কামৰূপৰ সেই সময়ৰ ৰজা পৰীক্ষিতৰ নির্দেশত ভট্টদেৱৰ গুৰু দামোদৰদেৱে কামৰূপ ত্যাগ কৰি কোচবিহাৰলৈ যোৱাৰ দুবছৰ মানৰ ভিতৰতে ভট্টদেৱে গ্রন্থখনৰ ৰচনাৰ কাম সম্পূর্ণ কৰে। পৰীক্ষিত ৰজা হয় ১৫৯৩ খ্রীঃত। গতিকে তাৰ দুই বছৰ মানৰ ভিতৰত ৰচিত হ'লে ১৫৯৪-৯৬ খ্রীঃ মানেই হ'ব বুলি অনুমান কৰিব পাৰি।

ভাগৱত-কথাৰ দৰে গীতা-কথাতো কবিৰত্ন নামটিকে ব্যৱহাৰ কৰিলেও দামোদৰদেৱৰ নাম এবাৰ নে দুবাৰ হে লৈছে। তালৈ চাই এইখনৰ ৰচনাৰ আজ্ঞা দামোদৰদেৱে প্রদান কৰা নাছিল বুলি ধাৰণা কৰা হয়। এইখন ভাগৱত-কথাৰ দুবছৰ মান পিছত ৰচনা বুলি ধৰিলে ইয়াৰ ৰচনা কাল আনুমানিক ১৫৯৭-১৫৯৮ খ্রীঃ বুলি ধৰিব পাৰি। কথা-গীতাৰ [গীতা-কথা] দৰে শ্রীমদ্ভাক্তিবিবেকখনতো দামোদৰদেৱৰ আজ্ঞা পোৱাৰ কথা উল্লেখ নাই। দামোদৰদেৱে ভট্টদেৱক ভাগৱত-কথা ৰচনা কৰা সময়ত আজ্ঞা দি কৈছিল– "পূর্বত মহাপুৰুষে [শংকৰদেৱ] দহ স্কন্ধ ভাগৱতৰ পৰা কীর্তন, ভটিমা আদি ৰূপত সুছন্দ ছবি, দুলড়ি আদিত কবিতা কৰিছে; এতিয়া তুমি সেই ৰচনাতকৈও বেছি ধৰণে সকলোৱে

বুজাকৈ এখন কথাবন্ধ কৰা।" এই আদেশ মর্মে শংকৰদেৱৰ ৰচনাৰ আদর্শ বা ধর্মমত দাঙি ধৰাত কৈ নব্য ৰচনা-শৈলী আৰম্ভ কৰিবলৈ কোৱাটোহে নিশ্চয়কৈ অধিক তাৎপর্যপূর্ণ।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ : ভট্টদেৱৰ প্রধান আৰু প্রমাণিক সাহিত্যকৃতি কেইখন কি কি ?

.....

প্রশ্ন নং ৬: দামোদৰদেৱে ভট্টদেৱক কেনে ধৰণৰ ৰচনা কৰিবলৈ উপদেশ দিছিল ?

.....

5 জানি থোৱা ভাল

ভটিমাঃ ভটিমা এক প্রকাৰ প্রশস্তিমূলক গীত। শংকৰদেৱেই ভটিমাৰ স্রষ্টা যদিও শংকৰদেৱৰ গুনানুকীর্তন কৰি মাধৱদেৱে সৃষ্টি কৰিছিল 'গুৰু-ভটিমা'ৰ। 'গুৰু-ভটিমা'কে ধৰি ভটিমা মুঠতে চাৰিবিধ— দেৱ ভটিমা, ৰাজ ভটিমা, নাট ভটিমা আৰু গুৰু ভটিমা।

২.৩.১ ভট্টদেৱৰ গদ্যৰীতি

অসমীয়া কথা-সাহিত্যৰ বিৱর্তনৰ ইতিহাসত যে ভট্টদেৱৰ স্থান অতি উচ্চ সেই কথা আপোনাক পুনৰাই উল্লেখ কৰাৰ নিশ্চয় প্রয়োজন নাই। ওপৰত কৰি অহা আলোচনাখিনিত অসমীয়া গদ্য সাহিত্যলৈ ভট্টদেৱে আগবঢ়োৱা ৰৱঙণিৰ বিষয়ে সুন্দৰভাৱে আলোকপাত কৰা হৈছে। আমি এতিয়া সাহিত্যিকজনাৰ কথা-শৈলী তথা গদ্যৰীতিৰ বিশেষত্ববোৰ বিশ্লেষণ কৰি চোৱাৰ প্রয়াস কৰিম।

আমি ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ যে ভট্টদেৱে গদ্য; অর্থাৎ কথাৰ মাধ্যমত তিনিখন পুথিহে ৰচনা কৰিছিল। ভাৱগধু�ৰ এই তিনিখন গ্রন্থৰ অনুবাদে অসমীয়া গদ্যৰ প্রথমটি সোপোন ৰচনা কৰাই নহয় অসমীয়া গদ্যৰ ইতিহাসত এক নতুন গতিও প্রদান কৰিছিল। আমি আটায়ে জানোহক যে ভট্টদেৱৰ পূর্ব্বৰ্তী শ্রীমন্তশংকৰদেৱৰ বহুমুখী সাহিত্যিক প্রতিভাৰ মাজত গদ্যও আছিল। শংকৰদেৱে জনসাধাৰণক মনোৰঞ্জন দিয়াৰ মাজেৰে হৰিৰ মাহাত্ম্য প্রকাশ কৰাৰ উদ্দেশ্যে সৃষ্টি কৰা অংকীয়া ভাওনাৰ 'সূত্রধাৰ' নামৰ বিশেষ চৰিত্রটোৰ মুখৰ বচনতে প্রথম 'কথা'ৰ ৰূপ দিয়াৰ চেষ্টা কৰিছিল। অৱশ্যে, কৃষ্ণ কথাৰ মর্যাদা হানি হ'ব বুলিয়ে হয়তু জনসাধাৰণৰ মুখৰ কথাভঙ্গীৰ পৰা আঁতৰি গৈ তেওঁৰ গদ্যই এক বিশেষ সুৰ বা লয়ত আশ্রয় লৈছিল। সেই বাবেই তেওঁৰ গদ্যৰ বিশুদ্ধতা বহুগুণে কম। এইপিনৰ পৰা চালে ভট্টদেৱৰ চেষ্টাত বিশুদ্ধতাৰ মাত্রা বহুগুণে বেছি। অৱশ্যে শংকৰদেৱৰ দ্বাৰা ব্যৱহৃত ভাষাৰ ঠাঁচটোকে পৰিমার্জন কৰি; সংস্কৃত শব্দ চয়ন আৰু ব্যাকৰণৰ বৈশিষ্ট্য মিহলোৱা বাবে ভট্টদেৱৰ গদ্যৰ প্রসঙ্গত বাণীকান্ত কাকতিয়ে এটি নেতিবাচক মন্তব্য দাঙি ধৰিছে। তেওঁ কৈছে– "ইমান দিনৰ আগতে কথা-শৈলীৰ এক নমুনা দাঙি ধৰা হিচাপে আদৰণীয় হ'লেও এই কথানুবাদত ভাষাতাত্ত্বিক দৃষ্টিকোণৰপৰা চালে বিশেষত্ব প্রায় নোহোৱাৰ দৰে। শব্দচয়ন সংস্কৃতীয়া শব্দেৰে ভাৰাক্রান্ত, আৰু

ভাষাটোও মাজে মাজে কথ্য ৰূপক বাট এৰি দিয়া পদ্যলেখকসকলৰ ভাষাতকৈ বহুতগুণে কম ঘৰুৱা। বৈয়াকৰণ ৰূপবিলাকেও আধুনিকতাৰ ফালে সৰলীকৰণ নেদেখুৱায়।" কেৱল বাণীকান্ত কাকতিয়ে নহয় বেণীমাধৱ বৰুৱাইও ভট্টদেৱৰ গদ্যক "ছন্দ-স্পন্দ-যুক্ত ৰচনা" বুলিহে মন্তব্য কৰিছিল। বুৰঞ্জীৰ গদ্যইহে প্ৰকৃত গদ্যৰ সন্ধান দিয়ে বুলি তেওঁ অভিমত ব্যক্ত কৰে। মন্তব্য দুটা স্বীকাৰ কৰিও কিন্তু এটা কথা ক'বই লাগিব যে ভট্টদেৱৰ গদ্যৰ বিশুদ্ধতা কম যদিও বিশুদ্ধতাশূন্য কেতিয়াও নহয়। সেই কথাৰ প্ৰমাণ গদ্যৰ বিশেষত্ববোৰ ফঁহিয়াই চালেই ওলাই পৰিব।

আৰম্ভণিতে বাণীকান্ত কাকতিৰ মন্তব্যৰ আঁত ধৰিয়ে আমি ভট্টদেৱৰ গদ্যৰ প্ৰথমটি বিশেষত্ব ফঁহিয়াই চাবলৈ যত্ন কৰোঁহক। বাণীকান্ত কাকতিয়ে কৈছে যে ভট্টদেৱৰ গদ্য সংস্কৃত শব্দেৰে ভাৰাক্ৰান্ত। কথাষাৰ একে আষাৰে অস্বীকাৰ কৰাৰ উপায় নাই যদিও সত্যেন্দ্ৰনাথ শৰ্মাদেৱে কোৱাৰ দৰে গীতাৰ নিচিনা দাৰ্শনিক তত্ত্বপ্ৰধান গ্ৰন্থ এখন ঘৰুৱা শব্দৰ সহায়ত অনুবাদ কৰাৰ থলেই বা ক'ত? তদুপৰি তেওঁ আছিল সংস্কৃত ভাষাৰ এজন বিদগ্ধ পণ্ডিত। গতিকে সংস্কৃত শব্দৰ সমাৱেশ তেওঁৰ বাবে তেনেই স্বাভাৱিক। কিন্তু এইটোও সঁচা যে তেওঁৰ গদ্যৰ নমুনাত ঘৰুৱা শব্দবোৰ সমানেই ব্যৱহাৰ কৰি গৈছে; যিয়ে গ্ৰন্থখনিৰ সৌষ্ঠৱতা প্ৰদানত সহায় কৰিছে। যেনে – "খেৰে মেঢ়াই, অগ্নি দেই, আপুনাৰ মাংস কাটি খুৱায়ে, জীৱন্ততে শৃগাল-শগুণে আন্ত উভাৰে, সৰ্পে কামোৰে, বিছায়ে ডাঙ্কে, ডাহে মহে খায়, হাত ভৰি ভাঙ্গে, হস্তী ফেটাই মাৰে, পৰ্ব্বতৰ পৰা পেহলাৰে, গাত খান্দি পোতে, পানীত ডুৱাৰে, এমনে অনেক ভুঞ্জাৰৈ।" কেৱল ঘৰুৱা শব্দই নহয় জতুৱা ঠাঁচৰ প্ৰয়োগো তেওঁ যিমান পাৰি ৰাখি যাবলৈ চেষ্টা কৰিছে। যেনে– থান-থিত, আলাসতে, দেও দি, কানাকানি ইত্যাদি।

ভট্টদেৱৰ গদ্য-শৈলীৰ আন এক বিশেষত্ব হ'ল চুটি চুটি বাক্যৰ সমাৱেশ। অৱশ্যে ভাগৱত-কথা আৰু ৰত্নাৱলী-কথাতকৈ গীতা-কথাৰ বাক্যবোৰ কিছু দীঘলীয়া। কিন্তু এইটোও নহয় যে গীতা-কথাত চুটি বাক্য একেবাৰে নাই। ভট্টদেৱৰ গদ্যৰ বিশেষত্ব এইটোৱে যে চুটি বাক্যৰ মাজত ভালেখিনি কথা সুমুৱাই ৰাখিব পৰা ক্ষমতা। চুটি অথচ নিৰ্দ্দিষ্ট পদক্ষেপত আগবাঢ়ি যোৱা গদ্যৰ নমুনা এটি দ্বাদশ স্কন্ধ [ভাগৱত]ৰ তৃতীয় অধ্যায়ৰ পৰা দিয়া হ'ল –

কলিযুগত ধৰ্মৰ তিনি পাদ টুটিল, অন্তত সিয়ো পাদ নষ্ট হৈব। প্ৰজাসবো নিৰ্দয়, দুৰ্চাৰ, কলহপ্ৰিয়, কামুক বিত্তহীন হৈব। দস্যুসবে ৰাজ্য মাৰিব, পাষণ্ডসবে বেদক নিন্দিব, ৰজায়ো প্ৰজাৰ ধনাদি হৰিব, বিপ্ৰসবো শিশ্ৰোদৱপৰ হৈব। ব্ৰহ্মচাৰীব্ৰত নকৰিব, গৃহস্থে ভিক্ষা নেদিব। তপস্বীসবো গ্ৰামত বসিত, সন্যাসীসবো অৰ্থলোভী হৈব। স্ত্ৰীসব প্ৰায়ে বেশ্যা হৈব, বিস্তৰ আহাৰ কৰিব, বহু অপত্যক জন্মাইব, সদায়ে কটুৰ বুলিব। ভৃত্যে দৰিদ্ৰ পতিক এৰিব। পতিয়ো অতি আসক্তে স্ত্ৰীসৃখতে জীৱা সৰ্বলোকে সগোত্ৰক বিবাহ কৰিব। ভাৰ্যাৰ সম্বন্ধেসে কুটুম্ব মানিব। শূদ্ৰসবো উত্তম বেশ ধৰি দান প্ৰতিগ্ৰহ গ্ৰহণ কৰিব।

সংক্ষিপ্ততা ভট্টদেৱৰ গদ্যৰীতিৰ আন এক বৈশিষ্ট্য। গুৰু দামোদৱদেৱে ভাগৱত ভাঙনিৰ সময়ত যি উপদেশ অথবা নিৰ্দেশ দিছিল তাক যেন ভট্টদেৱে আখৰে আখৰে মানিবলৈ চেষ্টা কৰিছিল।ভাগৱতৰ প্ৰথম স্কন্ধৰ ভাঙনি বিস্তৰ হোৱাত দামোদৱদেৱে তেতিয়া ভট্টদেৱক কৈছিল "সংক্ষেপ কৰিয়া সাৰ মাত্ৰ লৈয়া কৰা কথা কবিৰত্ন।" গুৰুৰ এই নিৰ্দেশক সন্মান জনাই সমগ্ৰ ভাগৱতখনকে সংক্ষিপ্ত ৰূপত

ভাঙনি কৰিছিল। আনকি এই সংক্ষিপ্ততাৰ স্বার্থত মূল গ্রন্থ অথবা টীকা-ভাষ্যৰ বহু কথা তেওঁ বাদো দিছিল। অৱশ্যে এই নীতিয়ে বহু সময়ত পাঠকক বিমোৱতো নেপেলোৱা নহয়।

কাব্যিকতা তথা কাব্যিক ৰহন ভট্টদেৱৰ গদ্য-শৈলীৰ আন এটা দিশ। তেওঁ যদিও কথাতে ভাগৱত অথবা গীতাক অনুবাদ কৰাৰ চেষ্টা কৰিছিল তথাপি কিন্তু পদ ৰচনাৰ লোভো বহু ক্ষেত্রত সামৰিব পৰা নাছিল। অন্ততঃ ভগৱন্তৰ ৰূপৰ বর্ণনাৰ বেলিকা তেনে এক কাব্যিক ৰীতিৰেই আশ্রয় লৈছিল। নিদর্শন – "শ্যাম শৰীৰ, পীত বসন, চতুর্ভূর্জ, শংখ-চক্র-গদা-পদ্মধাৰী, প্রসন্ন-মুখ, কমল-লোচন, নীল-আকুঞ্চিত কেশ, কিৰীটি-কুণ্ডল, হাৰ-অংগদ-বলয়-অংগুৰি-মেখলা-কিংকিনী-নূপুৰে অলংকৃত, শ্রীবৎস কৌস্তভ-বনমালা যুক্ত, হাস্য-বদন, সদয়-নিৰীক্ষণ।" তেওঁৰ গদ্যৰ ভাষা আৰু বিষয়বস্তু– এই দুয়োটাৰে মূল কাব্য হোৱা হেতুকে লিখকৰ অনভিপ্রেতভাৱে হ'লেও কথা- ভাগৱতৰ ৰচনাৰ মাজত কোনো কোনো অংশই গদ্যধর্মীতা গুণ এৰি ছন্দৰ লালিত্যত খোজ থৈছিল। অৱশ্যে এইটোও কৈ থোৱা ভাল যে এনে পদ্যধর্মী বর্ণনা তেওঁৰ ৰচনাত তেনেই কম।

ভট্টদেৱৰ গদ্যৰ ভঙ্গিমা বিশেষকৈ কথা-ভাগৱত আৰু কথা-গীতাত এফালে যুক্তিপদ আনহাতে ব্যাখ্যামূলক। শ্রীধৰ স্বামীৰ টীকা-ভাষ্যত সততে লক্ষ্য কৰা কোনো প্রশ্নৰ উত্থাপন আৰু যুক্তিৰ সহায়ত তাৰ ব্যাখ্যা দাঙি ধৰাৰ যি প্রৱণতা, ভট্টদেৱেও এই ৰীতিকে বহুসময়ত ব্যৱহাৰ কৰিছে। সেই বাবেই মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ৰূপৰেখাত মন্তব্য কৰিছে– "সিও নঘটে', 'যদি বোলা', 'আত শুনা', 'এতেকে', – এনে খণ্ডবাক্যবোৰে বিৰোধ-নিৰাৰণ, সংশয়াত্মক প্রশ্নৰ উপস্থাপন, সংশয়-নিবৃত্তি আৰু উপসংহাৰ আদি চিন্তাৰ বাদাত্মক গতি নির্দেশ কৰিছে। গতিকে ইয়াত ব্যাখ্যামূলক (expository) কথা-শিলীৰ গুণো হৈছে নৈর্ব্যক্তিকভাৱে বাদাত্মক আৰু প্রত্যয়কাৰী (argumentative, persuative)।" এই ৰীতিয়ে তেওঁৰ গদ্যক নাটকীয় ৰূপ দান কৰিছে।

ভট্টদেৱৰ গদ্যৰ আন এটি বিশেষত্ব হ'ল 'স্নেহসূচক' সম্বোধনেৰে বাক্যাৰম্ভ। যিটো বিশেষত্বই 'ভট্টদেৱৰ গদ্যত আধুনিকতাৰ চাব নাই'– বোলা অভিযোগক কিছু পৰিমাণে হ'লেও খণ্ডন কৰে। যেনে– "জানা নাৰদ, ভগৱন্ত বৈৰাজ পুৰুষৰ অংগসবো আমাৰ ইন্দ্রিয় দেৱতা বিষয়ৰ আশ্রয়।" [কথা-ভাগৱত, ২য় স্কন্ধ, ৬ষ্ঠ অধ্যায়]।

ভট্টদেৱৰ অনুবাদ কর্মত মূল গ্রন্থৰ লগতে টীকা-ভাষ্যৰ প্রভাৱৰ কথা আমি ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ। কিন্তু তাকে তেওঁ হুবহু গ্রহণ নকৰি নিজৰ মতেৰে বুজি লৈ উপযুক্ত শব্দচয়নৰ জৰিয়তে সৰলভাৱে সেইবোৰক গদ্যৰ ৰূপ দিওতে তেওঁৰ এক নিজস্ব শৈলী গঢ় লৈ উঠাও দেখা যায়। অৱশ্যে তাকে কৰিবলৈ যাওঁতে কেতিয়াবা কোনোবা অংশৰ বর্ণনা [আৱশ্যেকতাক গুৰুত্ব নিদিয়াত] ঠাই বিশেষে নিৰসো নোহোৱাকৈ থকা নাই। কেতিয়াবা আকৌ কোনো বাক্য গদ্যৰ ঠাঁচত আৰম্ভ কৰি ছন্দৰ ৰূপত শেষ কৰিছে। অৱশ্যে, এনে প্রণালী প্রচুৰ বুলিব নোৱাৰি। পিছে গুৰুত্বপূর্ণ কথাটো হ'ল প্রথম ৰচনা কথা-ভাগৱতত দেখা দিয়া দুই-এটা দুর্বল দিশ কথা-গীতাত আঁতৰাবলৈ চেষ্টা কৰিছে। মহেশ্বৰ নেওগৰ ভাষাৰে ক'বলৈ গ'লে— কথা-ভাগৱততকৈ কথা-গীতাৰ গদ্য বেছি পুৰঠ, গম্ভীৰ আৰু ওজস্বী। ইয়াৰ কাৰণ হয়তু এইটোও হ'ব পাৰে যে কথা-ভাগৱতৰ দৰে কথা-গীতাৰ স্বাধীনতা তেওঁৰ অধিক আছিল। কিয়নো কথা-গীতাৰ ৰচনাৰ সময়ত দামোদৰদেৱৰ তেনে নির্দেশনামূলক আজ্ঞা নাছিল।

পৰিশেষত ক'ব পাৰি যে ভট্টদেৱৰ গদ্যই আধুনিকতাৰ পিনে গতি কৰাত কিছু পৰিমাণে অসমর্থ হ'লেও প্রথম গদ্য ৰচক হিচাপে ভট্টদেৱ যে অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত চিৰদিন জ্যোতিষ্মান হৈ থাকিব তাত নিশ্চয় কাৰোৰে দ্বিমত নাথাকিব।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ : ভট্টদেৱৰ গদ্যৰ ভাষা সম্পর্কে বাণীকান্ত কাকতিয়ে কি মন্তব্য কৰিছিল ?

.....

প্রশ্ন নং ৮ : ভট্টদেৱৰ গদ্যৰীতিৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য লিখা।

.....

t চিন্তা-চর্চা কৰক— ২.১

ভট্টদেৱৰ গদ্যৰ বিশেষত্বৰোৰৰ বিষয়ে উদাহৰণসহ এটি নিবন্ধ লিখিবলৈ যত্ন কৰক।

২.৪ অসমীয়া গদ্য সাহিত্যত ভট্টদেৱৰ স্থান

আমি ইতিপূর্বে উল্লেখ কৰি আহিছোঁ যে অসমীয়া গদ্য সাহিত্যক সঠিক পথৰ সন্ধান দিয়া প্রথমজনা ব্যক্তিয়ে হ'ল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্য অর্থাৎ ভট্টদেৱ। বাণীকান্ত কাকতিৰ দৰে দুই এজন সমালোচকৰ দৃষ্টিত ভট্টদেৱৰ গদ্য আধুনিক গদ্যৰ প্রকৃত দিক্-দর্শক নহ'লেও অসমীয়া গদ্যৰ গোন্ধ থকা তামৰ ফলি অথবা শিলালিপিকে আদি কৰি বিশাল শংকৰী যুগৰ যুগান্তকাৰী মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ সূত্রধাৰৰ বচনলৈকে অসমীয়া গদ্যৰ সংস্কাৰ কৰি বিশ্লেষণ কৰিলে ভট্টদেৱৰ গদ্যক প্রকৃত গদ্যৰ পিনে ধাবমান বুলি নক'লে, নিয়ে যুক্তিহীন কথা হ'ব।

'গদ্য সাহিত্য আৰু পদ্য সাহিত্যৰ মিশ্রণেই বিশাল সাহিত্য সম্ভাৰ' – এই কথা আমি সকলোরে জানোঁ। বাল্মিকীৰ মুখেৰে ওলাই অহা "মা নিষাদ..." নামৰ সেই বিখ্যাত শ্লোক ফাঁকি, যি ফাঁকি শ্লোকে ৰামায়ণৰ দৰে মহাকাব্যৰ সৃষ্টিৰ বাট কাটি দিছিল সেই বাটত সাৰ পানী চটিয়াই কাব্যৰ ৰৱভেটি নির্মাণ কৰিছিল তাৰ পৰৱর্তী বিশ্ব বিশ্রুত কবি সাহিত্যিকসকলে। আমাৰ সাহিত্যতো তাৰেই চর্চা অর্থাৎ কাব্য সাহিত্যৰেই চর্চা চলিছিল বহু কাল ধৰি। এনেদৰে বহুকেইটা শতিকা কাব্য চর্চাই প্রাধান্য লাভ কৰি থকাৰ পিছত পোন প্রথমবাৰৰ বাবে সাহিত্য আৰু সংস্কৃতিৰ প্রায় কেউটা দিশতে হাত দিয়া আৰু নতুন চিন্তা ভাৱনাৰে ন-ন সাহিত্য সম্পদৰ সৃষ্টি কৰা শংকৰদেৱে গদ্য ৰচনাৰো প্রয়াস কৰিছিল। তেওঁ অংকীয়া নাটৰ সূত্রধাৰৰ চৰিত্রৰ বচনত মাধ্যমৰে সাহিত্যৰ এটি নৱতম মাধ্যম 'গদ্য'ক সাহিত্যৰ মজিয়ালৈ আদৰি অনাৰ চেষ্টা কৰিছিল। এয়া যেন সাহিত্যিকজনাৰ এক প্রকাৰ সম্পৰীক্ষাই আছিল। তেওঁৰ এই সম্পৰীক্ষাত যে একেবাৰে অনুর্ত্তীণ হৈছিল তেনেও নহয়; কিন্তু লয়ৰ গন্ধীৰে গদ্য ৰূপ দিবলৈ বিচৰাৰ

কাৰণেই তেওঁ এই সম্পৰীক্ষাত সফল বুলি ক'ব নোৱাৰি। অৱশ্যে গদ্য ৰচনা তেওঁৰ প্রধান উদ্দেশ্য নাছিল। ভক্তি-ধর্ম প্রচাৰহে আছিল তেওঁৰ সাহিত্য ৰচনাৰ প্রধান উদ্দেশ্য। এইজন মহাপুৰুষৰ গদ্য ৰচনাৰ নীতি আৰু আদর্শ পোনপটীয়াভাৱে ভট্টদেৱৰ গদ্যত নপৰিলেও কিছু পৰিমাণে শংকৰদেৱৰ গদ্যৰ দুর্বল দিশবোৰত চকু ফুৰোৱাৰ লগতে নিজস্ব শৈলীৰে ভট্টদেৱে ভাগৱত, গীতাৰ দৰে তত্ত্বগধুৰ গ্রন্থক গদ্যত ৰূপ দি যেন তেওঁ এক প্রকাৰ অসাধ্য-সাধন কৰিছিল; আৰু ইয়ে তেওঁৰ সাহিত্যিক জীৱনৰো সার্থকতা হিচাপে জনমানসত চিহ্নিত হৈ থাকিব।

ভট্টদেৱে গদ্য সাহিত্যই যে সৃষ্টি কৰিছিল তেনে নহয়, তেওঁ একেসময়তে পদ্য সাহিত্যও সৃষ্টি কৰিছিল। পৰিমাণত আনকি গদ্য সাহিত্যতকৈ পদ্য সাহিত্যহে বেছি। পিছে তেওঁৰ সাহিত্যিক জীৱনৰ পূর্ণ সার্থকতা তথা মহান কৃতি গদ্য সাহিত্যখিনিহে। অসমীয়া সমাজেও তেওঁক মনত ৰাখিব এজন গদ্য-শিল্পী হিচাপেহে। তেওঁৰ গদ্যৰ বৈশিষ্ট্যবোৰ আমি ইতিমধ্যে স্থানান্তৰত বিস্তৃতভাৱে উল্লেখ কৰি আহিছোঁ।

তামৰ ফলি, শিলালিপি তথা মন্ত্র সাহিত্যকে আদি কৰি অংকীয়া নাটৰ গদ্য আৰু ভট্টদেৱৰ গদ্যলৈকে অসমীয়া গদ্যৰ বিৱর্তনৰ প্রথমছোৱা সময়ত বিশেষভাৱে গদ্য সাহিত্যৰ নিদর্শন আগবঢ়োৱা আৰু দুবিধ সাহিত্য সম্পদ হ'ল চৰিতপুথি আৰু বুৰঞ্জী সাহিত্য। দৰাচলতে এই দুবিধ সাহিত্য সম্পদেহে আধুনিক গদ্যৰ প্রকৃত পথ-প্রদর্শকৰ কাম কৰিছিল। কিয়নো এই দুবিধ সাহিত্যৰ গদ্য অংকীয়া নাটৰ গদ্যৰ কথাটো বাদেই আনকি ভট্টদেৱৰ গদ্যতকৈও বহুক্ষেত্রত সৰল, সুগঢ়ী আৰু ঘৰুৱা। অৱশ্যে ইয়াৰ কাৰণ নোহোৱা নহয়। ভট্টদেৱৰ গদ্য ৰচনাৰ ক্ষেত্রত বিভিন্ন বাধা আছিল, তদুপৰি সেই সময়ৰ পৰিৱেশো গদ্য সাহিত্যৰ বাবে বৰ অনুকূল নাছিল। এই বিষয়ে আমি এই আলোচনাৰ শেষৰ স্তৰত আপোনালোকক জনাবলৈ নিশ্চয় প্রয়াস কৰিম। আমি এতিয়া অতি চমুকৈ চৰিতপুথি আৰু বুৰঞ্জী সাহিত্যৰ দুই-এটি বিশেষত্ব উনুকিয়াবলৈ চেষ্টা কৰিম।

মনত ৰখা ভাল যে চৰিতপুথিবোৰ হ'ল কোনো ধর্মীয় গুৰু বা ভকতৰ জীৱন চৰিত্র। এই বিষয়ে ইতিমধ্যে আপুনি প্রথম ষাণ্মাসিকতে অধ্যয়ন কৰি আহিছে। শংকৰ-মাধৱৰ তিৰোধানৰ পিছত তেওঁলোকৰ জীৱন চৰিত্রৰ আলোকপাত কৰি এইবিধ সাহিত্যৰে প্রথম সূচনা হয়। গুৰু-চৰিত-কথা ইয়াৰেই উজ্জ্বল নিদর্শন। চৰিতৰ কথাবোৰ যিহেতু সত্র অথবা কোনো ভকতৰ গৃহত আওৰোৱাৰ প্রথা চলিছিল গতিকে তাত ভকতীয়া ঠাঁচৰ পয়োভৰ দেখা গৈছিল। কোনোবা ব্যক্তিৰ কর্মৰাজি আৰু তেওঁৰ জীৱন বৃতান্ত যিহেতু ঘৰুৱা কথাৰ মাধ্যমতহে প্রকাশ কৰা সহজ আছিল গতিকে চৰিত চর্চাৰ পৰম্পৰাত ঘৰুৱা ভাষা-শৈলী প্রৱেশ কৰাটো তেনেই স্বাভাৰিক। সেয়েহে ইয়াৰ ভাষা সাৱলীল, স্পষ্ট আৰু সৰল হ'বলৈ বাধ্য। তদুপৰি লোকসমাজত সততে প্রচলিত প্রশ্নোত্তৰৰ সমাৱেশো চৰিতপুথিৰ গদ্যত পৰিছিল। অৱশ্যে ই কিছু পৰিমাণে বর্ণনা নির্ভৰ আছিল। প্রশ্নোত্তৰৰ ৰীতিয়ে চৰিতপুথিৰ গদ্যক নাটকীয় ৰূপো দান কৰিছিল। চুটি চুটি বাক্যৰ ব্যৱহাৰে চৰিতপুথিৰ গদ্যক সৰল কৰি তোলাৰ লগে লগে অনিয়মিত বাক্যৰ ব্যৱহাৰে ঘৰুৱা কৰি তুলিছিল। কেৱল এই সমূহ বৈশিষ্ট্যই নহয় সুৰীয়া শব্দৰ সমাহাৰ [যেনে—

গীত-ৰাগ, কাশী-বাৰানসী, বিস্ময়-বিশ্রুতি, ঘাটৰ-বাটৰ, আশ্চর্য-অদ্ভুত ইত্যাদি], দৃষ্টান, উপমাকে আদি কৰি ফকৰা-যোজনা-পটন্তৰৰ [যেনে— আমাৰেযে কর্মতাৰ পণ্ডিতৰো বাক্য লৰে, পশু নকৰিবা শৰঃ মৰাও নানিবা জীয়াও নানিবা। সুদা হাতে নপসিবা ঘৰ।। ইত্যাদি] সঘন প্রয়োগে চৰিতপুথিৰ গদ্যক লালিত্য প্রদান কৰিছিল।

চৰিতপুথিৰ দৰে বুৰঞ্জীৰ গদ্যও সৰল আৰু ঘৰুৱা। বুৰঞ্জীৰ ভাষা-ৰীতিতো চুটি চুটি বাক্যৰ সমাৱেশ স্পষ্ট। পাচে, বোলে, পূর্বে আদি শব্দেৰে বাক্য আৰম্ভ কৰা হৈছে। চৰিতপুথিৰ দৰে বুৰঞ্জীৰ গদ্যতো অনিয়মিত তথা অসমাপিকা ক্রিয়াৰে বাক্য শেষ কৰা ৰীতি দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে– "আত পাচে এপোৱাকৈ মানুহ ঘৰমূৰি তুলিলে, বন কৰাবলৈ" [সাতসৰী অসম বুৰঞ্জী]।

বুৰঞ্জী যিহেতু আহোম লেখকৰ দ্বাৰা ৰচিত গতিকে তাত আহোম শব্দৰ সঘন প্রয়োগ স্বাভাৱিক। পিছে বুৰঞ্জী সাহিত্য একেবাৰে সংস্কৃত বর্জিত নহয়। বিশেষকৈ চিঠি পত্রাদি লিখাৰ সময়ত লেখকসকলে সংস্কৃত শব্দৰ প্রয়োগ কৰিছিল। যেনে— "শ্রীযুত নবাব আহলায়াৰ খাঁ শুভাশয়েষু। সহ্লাদ পূববর্ক লেখনং উভয়তঃ প্রয়োজনঞ্চ আগে তথা কুশল সতত চাহি বিশেষ লিখন।" কেৱল সংস্কৃত শব্দই নহয় বুৰঞ্জীৰ মাজত আৰবী, পার্চী শব্দৰো প্রয়োগ দেখা গৈছিল। বুৰঞ্জীৰ গদ্য ঠায়ে ঠায়ে চৰিতপুথিৰ দৰে কথোপকথনযুক্তও। যিয়ে ইয়াৰ গদ্যক নাটকীয়ত্ব প্রদান কৰি তুলিছে। যেনে— "মোৰ পোক ভাটাৰাজ্যলৈ কেলৈ দিম? নিদিও। কোচতে যে ৰণ হাৰিলি ৰজানো কি? ডা-ডাঙৰীয়ানো কি?" গিৰিয়েকক বোলে, "তুমিনো কিহৰ বৰগোঁহাই? ভাল তহঁতে যে ৰণত হাৰিলি, মই যুদ্ধ কৰি চাওঁ।..." এইবোৰ বৈশিষ্ট্যৰ লগতে বুৰঞ্জীৰ গদ্য অতি মনোৰম আৰু সৌন্দর্যশালী হৈছে ঠায়ে ঠায়ে উপমা, উপকথা, যোজনা পটন্তৰৰ ব্যৱহাৰৰ বাবে। এইবোৰে বুৰঞ্জীৰ গদ্যক কেৱল সৌন্দর্য প্রদান কৰাই নহয় কাব্যময়ো কৰিও তুলিছে। মুঠতে ক'বলৈ গ'লে আধুনিক গদ্যত থাকিব লগা গদ্যৰ বৈশিষ্ট্যবোৰ বুৰঞ্জীৰ গদ্যত বিদ্যমান। ইয়াত ৰূপ আৰু ৰং চৰাইছিল দ্ব্যর্থকতাহীন পোনপটীয়া প্রকাশভঙ্গীয়ে।

এইদৰে দুয়োটা সাহিত্য সম্পদৰ গদ্য-শৈলী বিচাৰ কৰিলে অসমীয়া গদ্য সাহিত্যৰ বিৱর্তনত এই দুই সাহিত্য সম্পদে যে বিশেষভাৱে অৰিহণা যোগাইছে তাক জানিব পাৰি। কিন্তু এইটোও আকৌ ঠিক যে অসমীয়া গদ্যক প্রগতি দান কৰা এই দুই সাহিত্য সম্পদৰ সৈতে কিন্তু অসমীয়া গদ্যক সাহিত্যৰ মাজলৈ বাট দেখুওৱা ভট্টদেৱৰ গীতা-ভাগৱতৰ গদ্যৰ মাজত পার্থক্য যথেষ্ট আছে। চৰিতপুথি আৰু বুৰঞ্জীৰ গদ্য যিমান ওচৰ চপা সিমানে আকৌ দূৰত অৱস্থান ভট্টদেৱৰ গদ্য। ৰচনা বা উদ্ভৱৰ কাল হিচাপে বহু বেছি পার্থক্য নাথাকিলেও বিষয়বস্তু আৰু পৰিৱেশন ৰীতিৰ বিশেষত্বই তিনিওবিধ গদ্য সাহিত্যৰ মাজত যে পার্থক্য আনিছে সি নিশ্চিত। চৰিতপুথি আৰু বুৰঞ্জীৰ বিষয়বস্তু বাস্তৰিক, বিপৰীতে ভট্টদেৱৰ সাহিত্যৰ বিষয়বস্তু তাত্ত্বিক। ভট্টদেৱৰ বাবে সংস্কৃতত ইতিপূর্বে ৰচিত হৈ থকা গীতা-ভাগৱত গদ্যত অনুবাদ কৰা যিমান দুৰহ কাম আছিল; চৰিতকাৰ আৰু বুৰঞ্জী লেখকৰ বাবে তেওঁলোক বিষয়বস্তু প্রকাশত সিমান দুৰহ বা জটিল নি(য়ে নাছিল। কিয়নো তেওঁলোকৰ সাহিত্যৰ বিষয়বস্তু বাস্তৱ ঘটনাৰ আধাৰত আধাৰিত। সেয়েহে তেওঁলোকে জনসাধাৰণে ব্যৱহাৰ কৰা স্বাভাৱিক শৈলীটোকে সাহিত্যতো

ঠাই দিছিল। ক'বলৈ গ'লে কেৱল এইটো কাৰণতে তেওঁলোকৰ গদ্যত জটিলতা নাই। যিটো জটিলতা ভট্টদেৱে মূৰ পাতি ল'বলগীয়া হৈছিল। কিয়নো ভট্টদেৱে হয়তো ভালদৰেই জানিছিল যে গীতা-ভাগৱতৰ দৰে এখন তাত্ত্বিক গ্ৰন্থ জনসাধাৰণৰ স্বাভাৱিক শৈলীত ৰচনা কৰাটো স্পৰ্ধাৰ বাহিৰে আন একো নহয়। সেই কাৰণেই তেওঁৰ গদ্য অসমীয়া হৈও সংস্কৃত মুক্ত নাছিল। ভাৰতীয় সংস্কৃতিৰ প্ৰতিভূ স্বৰূপ গীতা-ভাগৱতৰ মৰ্যাদা লাঘৱ নোহোৱাৰ স্বাৰ্থতে তেওঁ নি(য় এই সিদ্ধান্ত গ্ৰহণ কৰিছিল বুলি সেইবাবেই ধাৰণা কৰা হয়।

সি যি নহওক সম্পূৰ্ণ কাব্য চৰ্চা আৰু গীতি-ধৰ্মিতাই বহুকাল ধৰি সাহিত্যৰ প্ৰায় কেউটা দিশ আৱৰি ৰখাৰ পিছত এক বাস্তৱ চিন্তাৰে জনসাধাৰণক নিজৰ ভাষা-শৈলীৰে তাত্ত্বিক কথাক জনসাধাৰণৰ কাষলৈ ওচৰ চপাই অনাৰ ক্ষেত্ৰত ভট্টদেৱে যি অৰিহণা অসমীয়া ভাষা আৰু সাহিত্যলৈ আগবঢ়াই থৈ গ'ল তাৰ বাবে তেওঁ চিৰদিন অসমীয়া সাহিত্যৰ ইতিহাসত স্মৰণৰ পাত্ৰ হৈ থাকিব।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯: ভট্টদেৱৰ গদ্য আৰু চৰিতপুথি-বুৰঞ্জীৰ গদ্যৰ মাজত মূল পাৰ্থক্য কি?

.....

প্ৰশ্ন নং ১০: চৰিতপুথিৰ গদ্যৰ দুটা বৈশিষ্ট্য লিখা।

.....

প্ৰশ্ন নং ১১: বুৰঞ্জীৰ গদ্যক আধুনিক গদ্যৰ ওচৰ চপা বুলি কিয় কোৱা হয়?

.....

প্ৰশ্ন নং ১২: ভট্টদেৱে গীতা-ভাগৱতৰ অনুবাদত সংস্কৃতৰ প্ৰভাৱ কিয় বজাই ৰাখিছিল?

.....

t চিন্তা-চৰ্চা কৰক— ১.২

অসমীয়া ভাষা আৰু সাহিত্যত ভট্টদেৱৰ স্থান সম্পৰ্কে চমুকৈ লিখক।

2 ২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভট্টদেৱ অসমীয়া গদ্য সাহিত্যৰ জনক আৰু তেওঁ অসমীয়া গদ্য সাহিত্যক সুসংগঠিত ৰূপ প্ৰদান কৰিছিল।
- ভট্টদেৱৰ প্ৰকৃত নাম বৈকুণ্ঠনাথ ভট্টাচার্য আছিল আৰু তেওঁ "কবিৰত্ন" আৰু "ভাগৱত ভট্টাচার্য" উপাধিৰে পৰিচিত হৈছিল।

- তেওঁ দামোদৰদেৱৰ শিষ্য আছিল আৰু গুৰুৰ আজ্ঞা অনুসৰি ভাগৱত আৰু গীতা গদ্যত অনুবাদ কৰিছিল।
- ভট্টদেৱে জটিল ধর্মীয় আৰু দার্শনিক বিষয়বস্তু সাধাৰণ মানুহে সহজে বুজিব পৰাকৈ উপস্থাপন কৰিছিল।
- তেওঁৰ প্রধান ৰচনাসমূহ হ'ল কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলী।
- ভট্টদেৱৰ গদ্যত সংস্কৃতীয়া শব্দ আৰু ঘৰুৱা কথ্য ভাষাৰ সুন্দৰ সমন্বয় দেখা যায়।
- তেওঁৰ গদ্যৰ মুখ্য বৈশিষ্ট্য হৈছে চুটি বাক্য, সংক্ষিপ্ত প্রকাশ, যুক্তিনিষ্ঠ ব্যাখ্যা আৰু কাব্যিক সৌন্দর্য।
- অসমীয়া গদ্য সাহিত্যৰ বিকাশ আৰু পৰৱর্তী সাহিত্যিকসকলৰ বাবে তেওঁ এক শক্তিশালী ভিত্তি স্থাপন কৰিছিল।
- পদ্যৰ প্রাধান্য থকা যুগতো গদ্য সাহিত্য ৰচনা কৰি তেওঁ নতুন সাহিত্যিক ধাৰাৰ সূচনা কৰিছিল।
- ভট্টদেৱৰ গদ্যই তাত্ত্বিক জ্ঞানক জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

২.৬ অধিক জানিবলৈ

কটকী, প্রফুল্ল (১৯৮৮); *ক্রমবিকাশত অসমীয়া কথা শৈলী*; গুৱাহাটীঃ বীণা লাইব্রেৰী।

গোস্বামী, ভৃগুমোহন (সম্পা.) (১৯৯৪); *ভট্টদেৱৰ কথা-গীতা*; গুৱাহাটীঃ নিউ বুক ষ্টল।

নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটীঃ চন্দ্র প্রকাশ।

নেওগ, মহেশ্বৰ (সম্পা.) (১৯৮২); *কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্য*; গুৱাহাটী।

দাস, নাৰায়ণ (১৯৯৬); *ভট্টদেৱঃ জীৱন আৰু সাহিত্য কৃতি*; গুৱাহাটীঃ বীণা লাইব্রেৰী।

নাথ, প্রফুল্ল কুমাৰ (২০১২); *অসমীয়া গদ্য সাহিত্যৰ পৰিচয়*; নগাঁওঃ ক্রান্তিকাল প্রকাশন।

নাথ, প্রফুল্ল কুমাৰ (২০০৮); *পু�ৰণি অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটীঃ বুকলেণ্ড।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি*; গুৱাহাটীঃ বনলতা।

বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)*; গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য*; নলবাৰীঃ জার্ণাল এম্পৰিয়াম।

শর্মা, সত্যেন্দ্রনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটীঃ সৌমাৰ প্রকাশ।

শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটীঃ বীণা লাইব্রেৰী।

শর্মা দলৈ, হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ*; নলবাৰীঃ পদ্মপ্রিয়া লাইব্রেৰী।

২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : ভট্টদেৱে পৰম্পৰাগত পদ্য-ৰীতি পৰিহাৰ কৰি সুশৃংখল আৰু পৰিণত গদ্যৰীতিৰ প্ৰৱৰ্তন কৰিছিল। তেওঁৰ 'কথা-ভাগৱত' আৰু 'কথা-গীতা' অসমীয়া গদ্য-সাহিত্যৰ ভেটি স্বৰূপ। সেইবাবে তেওঁক অসমীয়া গদ্য-সাহিত্যৰ জনক বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ : ভট্টদেৱৰ প্ৰধান সাহিত্যকৃতিসমূহ হৈছে 'কথা-ভাগৱত', 'কথা-গীতা' আৰু 'কথা-ৰত্নাৱলী'। ইয়াৰ ভিতৰত 'কথা-ভাগৱত' তেওঁৰ প্ৰথম গদ্যধৰ্মী ৰচনা আৰু 'কথা-গীতা' সৰল, ঘৰুৱা ভাষাৰ বাবে বিশেষভাৱে উল্লেখযোগ্য।

৩ নং প্রশ্নৰ উত্তৰ : ভাগৱতৰ সুন্দৰ ব্যাখ্যা দি শ্ৰোতাসকলক মুগ্ধ কৰাৰ বাবে ভট্টদেৱে 'ভাগৱত ভট্টাচার্য' উপাধি লাভ কৰিছিল। আনহাতে, বৰনগৰীয়া মোড়লসকলক ভাগৱতৰ ব্যাখ্যাৰে সন্তুষ্ট কৰাৰ বাবে তেওঁ 'কবিৰত্ন' উপাধি লাভ কৰে।

৪ নং প্রশ্নৰ উত্তৰ : কামৰূপ ত্যাগ কৰাৰ সময়ত দামোদৰদেৱে ভট্টদেৱক 'ভাগৱত' গদ্যত অনুবাদ বা কথাবন্ধে ৰচনা কৰিবলৈ নির্দেশ দিছিল। গুৰুৰ এই আজ্ঞা পালন কৰিয়েই ভট্টদেৱে 'কথা-ভাগৱত' ৰচনা আৰম্ভ কৰে।

৫ নং প্রশ্নৰ উত্তৰ : ভট্টদেৱৰ প্ৰধান আৰু প্ৰমাণিক সাহিত্যকৃতি তিনিখন হৈছে— *ভাগৱত-কথা, গীতা-কথা* আৰু *ৰত্নাৱলী-কথা*। এই তিনিখন গ্ৰন্থই অসমীয়া গদ্য-সাহিত্যৰ বিকাশত বিশেষ অৱদান আগবঢ়াইছে।

৬ নং প্রশ্নৰ উত্তৰ : দামোদৰদেৱে ভট্টদেৱক শংকৰদেৱৰ কাব্যধৰ্মী ৰচনাৰ পুনৰাবৃত্তি নকৰি সকলোৱে সহজে বুজিব পৰা এক নতুন গদ্যধৰ্মী 'কথাবন্ধ' ৰচনা কৰিবলৈ উপদেশ দিছিল। এই নির্দেশনাই অসমীয়া গদ্য-সাহিত্যৰ নতুন যুগৰ সূচনা কৰে।

৭ নং প্রশ্নৰ উত্তৰ : বাণীকান্ত কাকতিৰ মতে ভট্টদেৱৰ গদ্য সংস্কৃতীয়া শব্দেৰে ভা�ৰাক্ৰান্ত আৰু কথ্য ভাষাৰ ওচৰত কম। তথাপি ভট্টদেৱে ঘৰুৱা শব্দ আৰু জতুৱা ঠাঁচৰ যথেষ্ট প্ৰয়োগ কৰি গদ্যক সজীৱ আৰু বোধগম্য কৰি তুলিছিল।

৮ নং প্রশ্নৰ উত্তৰ : ভট্টদেৱৰ গদ্যৰীতিৰ উল্লেখযোগ্য বৈশিষ্ট্য দুটা হ'ল— চুটি চুটি অথচ অর্থবহ বাক্যৰ ব্যৱহাৰ আৰু সংক্ষিপ্তভাৱে ভাব প্ৰকাশ কৰাৰ ক্ষমতা। এই বৈশিষ্ট্যই তেওঁৰ গদ্যক স্পষ্ট, সৰল আৰু প্ৰভাৱশালী কৰি তুলিছে।

৯ নং প্রশ্নৰ উত্তৰ : চৰিতপুথি আৰু বুৰঞ্জীৰ বিষয়বস্তু বাস্তৱ জীৱন আৰু ঐতিহাসিক ঘটনাভিত্তিক, সেয়ে ইয়াৰ ভাষা অধিক সৰল, ঘৰুৱা আৰু স্বাভাৱিক। আনহাতে, ভট্টদেৱৰ গদ্য তাত্ত্বিক আৰু দার্শনিক বিষয়বস্তুৰ ওপৰত আধাৰিত হোৱাৰ বাবে সংস্কৃতীয়া শব্দ আৰু জটিল ভাবধাৰাৰ প্ৰভাৱ অধিক দেখা যায়।

১০ নং প্রশ্নৰ উত্তৰ : চৰিতপুথিৰ গদ্যৰ ভাষা সাৱলীল, সৰল আৰু ঘৰুৱা। ইয়াত প্ৰশ্নোত্তৰ পদ্ধতি, চুটি বাক্য, ফকৰা-যোজনা, উপমা আৰু সুৰীয়া শব্দৰ সঘন ব্যৱহাৰে গদ্যক অধিক লালিত্যপূর্ণ আৰু নাটকীয় কৰি তুলিছে।

১১ নং প্রশ্নৰ উত্তৰ : বুৰঞ্জীৰ গদ্যত চুটি বাক্য, সৰল ভাষা, কথোপকথন, নাটকীয়তা আৰু পোনপটীয়া প্ৰকাশভংগী দেখা যায়। উপমা, যোজনা আৰু পটন্তৰৰ ব্যৱহাৰে ইয়াৰ সৌন্দর্য

বৃদ্ধি কৰিছে। এই বৈশিষ্ট্যসমূহ আধুনিক গদ্যৰ লগত মিল থকা বাবে বুৰঞ্জীৰ গদ্যক আধুনিক গদ্যৰ ওচৰ চপা বুলি কোৱা হয়।

১২ নং প্ৰশ্নৰ উত্তৰ : গীতা আৰু ভাগৱত ভাৰতীয় সংস্কৃতিৰ অতি গধুৰ আৰু তাত্ত্বিক গ্ৰন্থ। এই গ্ৰন্থসমূহৰ মৰ্যাদা আৰু মূল ভাব অক্ষুণ্ণ ৰাখিবলৈ ভট্টদেৱে সংস্কৃতীয়া শব্দ আৰু ধাৰণাৰ ব্যৱহাৰ কৰিছিল। সেয়ে তেওঁৰ গদ্য সম্পূৰ্ণ ঘৰুৱা নহ'লেও ভাবপ্ৰকাশত গাম্ভীৰ্য বজাই ৰাখিবলৈ সক্ষম হৈছিল।

M ২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

ক) ভট্টদেৱৰ পিতৃৰ নাম কি আছিল ?

খ) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

গ) ভট্টদেৱে ক'ত ব্যাসকুছি সত্ৰ স্থাপন কৰিছিল ?

ঘ) ভট্টদেৱক 'ভট্টাচার্য' উপাধি কোনে প্ৰদান কৰিছিল ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : ভট্টদেৱে প্ৰথমে কাৰ ওচৰত শৰণ লৈছিল আৰু তাত কি কি শাস্ত্ৰ অধ্যয়ন কৰিছিল ?

প্ৰশ্ন ২ : পাটবাউসী সত্ৰৰ অধিকাৰ পদ লাভৰ ঘটনাটো চমুকৈ বৰ্ণনা কৰা।

প্ৰশ্ন ৩ : হৰি মিশ্ৰক দামোদৰদেৱে কি উদ্দেশ্যে ভট্টদেৱৰ ওচৰলৈ পঠিয়াইছিল ?

প্ৰশ্ন ৪ : ভট্টদেৱৰ গদ্যত ব্যৱহৃত জতুৱা ঠাঁচৰ দুটা উদাহৰণ লিখা।

প্ৰশ্ন ৫ : ভট্টদেৱৰ গদ্যত স্নেহসূচক সম্বোধনৰ ব্যৱহাৰে কি বিশেষত্ব প্ৰকাশ কৰে ?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : ভট্টদেৱৰ সাহিত্যিক কৰ্মৰাজিৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখক।

প্ৰশ্ন ২ : ভট্টদেৱে কেনেদৰে গদ্য সাহিত্যৰ জৰিয়তে ধৰ্মীয় আৰু দাৰ্শনিক জ্ঞান জনসাধাৰণৰ ওচৰলৈ লৈ গৈছিল, আলোচনা কৰা।

প্ৰশ্ন ৩ : ভট্টদেৱৰ গদ্যৰীতিত সংস্কৃতীয়া শব্দ আৰু ঘৰুৱা ভাষাৰ সমন্বয় কেনেদৰে ঘটিছে, বিশ্লেষণ কৰা।